NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 24-02-2026
Time : 0705 HRS.

ASSAMESE MORNING BULLETIN

HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু চাৰিদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু ৰাজস্থানলৈ যাব। ভ্ৰমণৰ প্ৰথম দিনা আজি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু মহাৰাষ্ট্ৰলৈ যাব।

২। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ভাৰতৰ নিৰ্বাচন আয়ুক্ত আৰু ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰ ৰাষ্ট্ৰীয় ঘূৰণীয়া মেজমেল অনুষ্ঠিত হ'ব।

৩। কেন্দ্ৰীয় চৰকাৰে নগৰাঞ্চলৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা দ্বিতীয় পৰ্যায়ৰ অধীনত ২ লাখ ৮৮ হাজাৰ গৃহ নিৰ্মাণত মঞ্জুৰি প্ৰদান কৰিছে।

৪। ঝাৰখণ্ডৰ ছত্ৰ জিলাত কালি এখন এয়াৰ এম্বুলেন্স দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত ৭ জন লোকৰ মৃত্যু হয়।

আৰু

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত কালি ৱেষ্ট ইণ্ডিজে জিম্বাব'ৱেক ১০৭ ৰানত পৰাস্ত কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু চাৰিদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু ৰাজস্থানলৈ যাব। ভ্ৰমণৰ প্ৰথম দিনা আজি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু মহাৰাষ্ট্ৰলৈ যাব। তেওঁ মুম্বাইৰ লোকভৱনত পি ডি হিন্দুজা চিকিৎসালয়ে আয়োজন কৰা **জীৱন ৰক্ষা আৰু সুস্বাস্থ্য ভাৰত গঢ়া** শীৰ্ষক ৰাষ্ট্ৰীয় অভিযান মুকলি কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ শ্বেগাঁৱৰ বুলধানাত কেন্দ্ৰীয় আয়ুষ মন্ত্ৰ্যালয়ে আয়োজন কৰা ৰাষ্ট্ৰীয় আৰোগ্য মেলা ২০২৬ত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে নাগপুৰত ব্ৰহ্মকুমাৰীয়ে আয়োজন কৰা একতা আৰু বিশ্বাসেৰে গঢ়া মহাৰাষ্ট্ৰ সোণালী যুগ শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানতো ভাগ ল'ব।

বৃহস্পতিবাৰে শ্ৰীমতী মুৰ্মুৱে জামছেদপুৰৰ শ্ৰীজগন্নাথ আধ্যাত্মিক আৰু সাংস্কৃতিক ন্যাসে আয়োজন কৰা শ্ৰীজগন্নাথ মন্দিৰৰ ভূমিপূজন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ জামছেদপুৰৰ মনিপাল টাটা চিকিৎসা মহাবিদ্যালয়লৈ যাব আৰু শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব। অহা শুকুৰবাৰে শ্ৰীমতী মুৰ্মু ৰাজস্থানৰ পোখৰাণত ভাৰতীয় বায়ুসেনাৰ **বায়ুশক্তি** অনুশীলন কাৰ্যসূচীতো ভাগ ল'ব।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ভাৰতৰ নিৰ্বাচন আয়ুক্ত আৰু ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰ ষষ্ঠ ৰাষ্ট্ৰীয় ঘূৰণীয়া মেজমেল অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগে আয়োজন কৰা এই বৈঠক ২৭ বছৰৰ পাছত অনুষ্ঠিত হৈছে। ইয়াৰ পূৰ্বে ১৯৯৯ চনত এই ঘূৰণীয়া মেজমেলৰ আয়োজন কৰা হৈছিল। দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ অধ্যক্ষতাত হ'বলগীয়া এই বৈঠকত নিৰ্বাচন আয়ুক্ত ড০ সুখবীৰ সিং সান্ধু আৰু ড০ বিবেক যোশীও উপস্থিত থাকিব। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ নিৰ্বাচন আয়ুক্তসকলৰ

লগতে তেওঁলোকৰ আইনী আৰু কাৰিকৰী বিশেষজ্ঞসকল এই বৈঠকত ভাগ ল'ব। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকলেও এই বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰালয় আৰু ৰাজহুৱা খণ্ডৰ অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ বাবে দ্বিতীয় পৰ্যায়ৰ সম্পত্তি মুদ্ৰাকৰণ যোজনা আৰম্ভ কৰিছে। কেন্দ্ৰীয় বাজেট ২০২৫-২৬ত ঘোষণা কৰা 'সম্পত্তি মুদ্ৰাকৰণ পৰিকল্পনা ২০২৫-৩০'ৰ ভিত্তিত নিটি আয়োগে মন্ত্ৰালয়ৰ পৰামৰ্শ অনুসৰি আঁচনিখনৰ দ্বিতীয় পৰ্যায় আৰম্ভ কৰিছে। ৰাষ্ট্ৰীয় মুদ্ৰাকৰণ যোজনাৰ দ্বিতীয় সংস্কৰণ অনুসৰি কেন্দ্ৰীয় মন্ত্ৰালয় আৰু ৰাজহুৱা খণ্ডৰ অনুষ্ঠানসমূহৰ মুঠ মুদ্ৰাকৰণৰ সম্ভাৱনা ১৬ লাখ ৭২হাজাৰ কোটি টকা হব বুলি অনুমান কৰা হৈছে। অৱশ্যে ইয়াত ব্যক্তিগত খণ্ডৰ ৫ লাখ ৮ কোটি টকাৰ বিনিয়োগো অন্তৰ্ভুক্ত হৈ আছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ৰাষ্ট্ৰীয় মুদ্ৰাকৰণ যোজনাৰ প্ৰথম সংস্কৰণ ৰূপায়ণৰ ক্ষেত্ৰত চাৰি বছৰৰ বাবে নিৰ্ধাৰণ কৰা ছয় লাখ কোটি টকাৰ লক্ষ্যৰ প্ৰায় ৯০ শতাংশ পূৰণ কৰাৰ বাবে চৰকাৰৰ সকলো মন্ত্ৰালয়, বিভাগ আৰু নিটি আয়োগৰ প্ৰশংসা কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে নগৰাঞ্চলৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা দ্বিতীয় পৰ্যায়ৰ অধীনত ২ লাখ ৮৮ হাজাৰ গৃহ নিৰ্মাণত মঞ্জুৰি প্ৰদান কৰিছে। নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় মঞ্জুৰি আৰু পৰ্যবেক্ষণ সমিতিত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰ্যালয়ে জনোৱা মতে নতুনকৈ মঞ্জুৰি লাভ কৰা এই বাসগৃহসমূহ অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, চত্তিশগড়, গুজৰাট আৰু জম্মু-কাশ্মীৰকে ধৰি ১৬ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত নিৰ্মাণ কৰা হ'ব। মন্ত্ৰ্যালয়ে লগতে জনোৱা মতে এই আঁচনিৰ অধীনত এতিয়ালৈ ১৩ লাখ ৬১ হাজাৰতকৈও অধিক বাসগৃহ নিৰ্মাণৰ মঞ্জুৰি প্ৰদান কৰা হৈছে। মন্ত্ৰ্যালয়ে কয়, যে এই পদক্ষেপে নগৰাঞ্চলত বাস কৰা অৰ্থনৈতিকভাৱে দুৰ্বল, কম আয়ৰ পৰিয়াল আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ ক্ষেত্ৰত থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰিছে।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল কালি কানাডাৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মন্ত্ৰী মনিন্দৰ সিদ্ধুৰ সৈতে ভাৰ্চুৱেল বৈঠকত মত বিনিময় কৰে। বৈঠকত ভাৰত আৰু কানাডাৰ সামগ্ৰিক, অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীগোৱেলে কয়, যে এই আলোচনাত অনাগত সময়ত দেশ দুখনৰ মাজৰ অৰ্থনৈতিক সম্পৰ্ক আৰু অধিক শক্তিশালী কৰাৰ বাবে প্ৰতিনিধি পৰ্যায়ৰ কৌশলগত বিভিন্ন দিশ সন্দৰ্ভতো আলোকপাত কৰা হয়।

০০০০০

ঝাৰখণ্ডত কালি সন্ধিয়া চত্ৰ জিলাৰ ছিমাৰিয়াৰ সমীপত এখন এয়াৰ এম্বুলেঞ্চ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত সাতজন লোকৰ মৃত্যু হয়। ৰাজ্যখনৰ এগৰাকী শীৰ্ষ বিষয়াই এই তথ্য সদৰী কৰিছে। ৰেডবাৰ্ড এয়াৰৱেজ প্ৰাইভেট লিমিটেডৰ দ্বাৰা পৰিচালিত বিমানখনে সন্ধিয়া ৭ বাজি ১১ মিনিটত যাত্ৰা আৰম্ভ কৰিছিল। ৰাঁচী বিমানবন্দৰৰ পৰা উৰণৰ কিছু সময়ৰ পিছতে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। চত্ৰ জিলাৰ আয়ুক্ত কীতীশ্ৰী জিয়ে সাংবাদিকৰ সন্মুখত কয় যে এয়াৰ এম্বুলেঞ্চখনত থকা সাতজন লোকৰে মৃত্যু হৈছে। দুৰ্ঘটনাগ্ৰস্ত বিমানখন ৰাঁচীৰ পৰা দিল্লী অভিমুখী আছিল। দূৰ্ঘটনাস্থলীৰ পৰা নিহত কেপ্তেইন বিবেক বিকাশ ভগত, কেপ্তেইন শভৰজদীপ সিং, সনজয় কুমাৰ, ড০ বিকাশ কুমাৰ গুপ্তা, শচীন কুমাৰ মিশ্ৰ, অৰ্চনা দেবী আৰু

ধুৰু কুমাৰৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। জিলা আয়ুক্তগৰাকীয়ে লগতে কয় যে কালি সন্ধিয়া ৭ বাজি ৩০ মিনিটত এয়াৰ এম্বুলেঞ্চখন নিৰুদ্দেশ হৈছিল। চিমাৰিয়া জিলাৰ বাৰিয়াতু পঞ্চায়তৰ অন্তৰ্গত এখন বনাঞ্চলত এই দূৰ্ঘটনা সংঘটিত হৈছে।

ooooo

ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে আই বি এমে সমগ্ৰ ভাৰততে কোৱাণ্টাম কম্পিউটিং আৰু ক্লাউড আন্তঃগাঁথনিত বিনিয়োগৰ পৰিকল্পনা কৰিছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত মন্ত্ৰীগৰাকীয়ে কয় যে আই বি এম-এ দেশত বিশেষকৈ উন্নত অৰ্ধপৰিবাহী ন'ডত নিজৰ দলসমূহক আৰু অধিক শক্তিশালী কৰি তুলিছে। তেওঁ লগতে কয় যে এই প্ৰচেষ্টাসমূহে দেশৰ প্ৰতিভাধৰ যুৱ প্ৰজন্মৰ মাজত নতুন সুযোগ সৃষ্টি কৰিব।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে কালি **প্ৰহাৰ** শীৰ্ষক দেশৰ নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বিৰোধী নীতি আৰু কৌশল মুকলি কৰে। এই নতুন কৌশলৰ জৰিয়তে দেশত বাঢ়ি অহা সন্ত্ৰাসবাদী কাৰ্যকলাপসমূহৰ সন্মুখীন হ'বলৈ সামগ্ৰিক আন্তঃগাঁথনিৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ লগতে এনে যিকোনো ধৰণৰ প্ৰত্যাহ্বানক মষিমূৰ কৰিব পৰাকৈ সাজু হোৱাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হৈছে।

বৰ্তমান সময়ত সন্ত্ৰাসবাদী কাৰ্যকলাপবোৰৰ পৰিৱৰ্তিত ৰূপ আৰু নতুন প্ৰত্যাহ্বানসমূহৰ কথা উল্লেখ কৰি মন্ত্ৰালয়ে প্ৰকাশ কৰে যে সন্ত্ৰাসবাদক প্ৰতিহত কৰাৰ ক্ষেত্ৰত দেশ বদ্ধপৰিকৰ। দেশে কোনোধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপক প্ৰশয় নিদিয়ে আৰু সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ ক্ষেত্ৰত চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

ooooo

মেক্সিকোৰ জেলিস্ক' অঞ্চলত এজন ড্ৰাগছ ব্যৱসায়ীৰ মৃত্যুৰ পাছতে সৃষ্টি হোৱা হিংসাত্মক ঘটনাত নেচনেল গাৰ্ডৰ প্ৰায় ২৫ গৰাকী সৈন্য আৰক্ষীকৰ্মীৰ মৃত্যু হৈছে। মেক্সিকোৰ সুৰক্ষা বাহিনীয়ে এল মেনচ' বুলি জনাজাত নেমেচিঅ' অছেগোয়েৰা ছৰ্বেটেছক জিম্মাত লোৱাৰ কিছু সময়ৰ পাছতে তেওঁৰ মৃত্যু হোৱা ঘটনাক কেন্দ্ৰ কৰি দেশখনৰ প্ৰায় ২০ খন ৰাজ্যত হিংসাত্মক কাৰ্যকলাপ সংঘটিত হয়। জানিব পৰা পৰা মতে পশ্চিম জেলিস্ক'ৰ তাপলপা নগৰৰ দূৰৱৰ্তী অঞ্চলত এটা সৈনিক অভিযানত আঘাতপ্ৰাপ্ত হোৱাৰ পাছত এল মেনচ'ৰ মৃত্যু হয়। মেক্সিস্কোৰ প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে জনোৱা মতে দেশখনৰ পশ্চিম অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ বাবে দুহেজাৰ ৫০০ গৰাকী সৈনিক নিয়োগ কৰা হৈছে।

ooooo

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ গ্ৰুপ-ৱানৰ এখন খেলত ৱেষ্ট ইণ্ডিজে জিম্বাব'ৱেক ১০৭ ৰানত পৰাস্ত কৰে। টছত জিকি জিম্বাব'ৱেই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেট ধৰি ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৫৪ ৰান কৰে। প্ৰত্যুত্তৰত জিম্বাব'ৱেই ১৭ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। শ্বিমৰন হেটমেয়ৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ গ্ৰুপ-টুৰ এখন খেলত আজি পাকিস্তান ইংলেণ্ডৰ মুখামুখি হ'ব। শ্ৰীলংকাৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত